REFERENCE
(Not for Issue)
Reading Only Inside Library

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITU-TION OF INDIA

## BUDGET SESSION

### VOL, - I

### No. 13

Dated the 26th March, 1971

PRINTED AT RAJLAXMI PRINTERS
ZOO--NARENGI ROAD
GUWAHATI—24.

REFERENCE
(Not For Issue)
Reading Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1971.

**( Budget Session )**

Volume—1

No. 13

Dated the 26th March, 1971.

—: CONTENTS :—


| | | Pages |
|---|---|---|
| 1. | Starred Questions And Answers | 2 |
| 2. | Re : Members' Grievances | 31 |
| 3. | Calling Attention To A Matter of Urgent Public Importance— Raiding of two archery bookies | 32 |
| 4. | Re : Notice unde Ruler 301 | 33 |
| 5. | Resolution for approval of an expenditure under Public Works Department | 33 |
| 6. | Resolution for converting the Board for Production of text books and research into a Public Sector Company | 62 |
| 7. | The Assam Agricultural Income— Tax (Amendment) Bill, 1971 | 69 |
| 8. | The Revenue Recovery (Assam Amendment) Bill, 1971 | 70 |
| 9. | The Assam Maintenance of Public Order (Autonomous Districts) (Amendment) Bill, 1970 | 71 |

Proceedings of the Eleventh Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India.

The Assembly met in the Assembly Chamber, Shillong, at 9 A.M, Friday, the 26th March 1971.

**PRESENT.**

SHRI MOHI KANTA DAS, M.A.,B.L., Speaker, in the Chair, Fourteen Minister, Six Ministers of State, Two Deputy Ministers and Fifty seven Members.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

*Re :* **Industrial Estates in Assam**

Shri DEBESWAR SARMAH asked :

*61. Will the Minister-in-charge of Industries be pleased to state—

(a) What was the total number of Industrial Estates in Assam and what was the total amount spent for establishment of these, including the cost of the land (to be shown separately on each estate) ?

(b) What is the basis for selection of sites for Industrial Estates ?

(c) Is there any advisory board for the Industrial Estates ?

(d) If so, how many meetings were held during the last five years ending 31st December 1970 (Estate-wise) ?

(e) What is the amount of rent due and outstanding if any from the users of Industrial Estates accommodation ?

Shri BISWADEV SARMA (Minister, Industries) replied :

61. (a)—(eight).

| Name of Industrial Estate | Total amount spent for establishment including cost of the land |
|---|---|
| | Rs. |
| Industrial Estate, Gauhati. | 40 lakhs. |
| Industrial Estate, Dhekiajuli. | 3·12 lakhs. |
| Industrial Estate, Nalbari. | 6·16 lakhs. |
| Industrial Estate, Tinsukia. | 18·02 lakhs. |
| Industrial Estate, Sibsagar (under construction). | 6·26 lakhs. |
| Industrial Estate, Nowgong (under construction). | 5·74 lakhs. |
| Industrial Estate, Jorhat. | 7·45 lakhs. |
| Industrial Estate, Badarpur. | 13·51 lakhs. |

(b)—Factors like availability of land at reasonable price, power, water, transport facilities, local raw-materials, market, labourers and scope for industrial development and expansion are taken into consideration in selecting a site for the Industrial Estate.

(c)—Yes.

(d)—Industrial Estate, Gauhati—One meeting.
Industrial Estate, Dhekiajuli—Three meetings.
Industrial Estate, Nalbari—Four meetings.
Industrial Estate, Tinsukia—Six meetings.
Industrial Estate, Sibsagar—Four meetings.
Industrial Estate, Nowgong—Two meetings.
Industrial Estate, Jorhat—Tow meetings.
Industrial Estate, Badarpur—Six meetings.

(e)—

| Name of Industrial Estate | Total amount inclusive of rent outstanding upto December, 1970 |
|---|---|
| | Rs, |
| Industrial Estate, Gauhati. | 10,42,409·55 |
| Industrial Estate, Dhekiajuli· | 26,606 00 |
| Industrial Estate, Nalbari. | 22,362·48 |
| Industrial Estate, Tinsukia. | 40,722·00 |
| Industrial Estate, Badarpur. | 1,62,000·00 |
| Industrial Estate, Jorhat. | Rate of rent not yet finalised. |
| Industrial Estate, Nowgong. | Possession not yet given to allottees. |
| Industrial Estate, Sibsagar. | Possession not yet given to allottees. |

Shri Dulal Chandra Barua :—It is seen that a huge amount of money has been invested for starting these industrial estates. May I know from the Minister whether these estates are producing anything ?

Shri Biswadev Sarma :—They are producing manythings.

Shri Dulal Chandra Barua :—What are these 'many-things' ?

Shri Biswadev Sarma, :—Sir, the list is long. They are producing engineering goods, buckets, timber manufacturing units and large number of other things.

Shri Dulal Chandra Barua :—Whether the sheds in the industrial estates have been allotted to the local youths ? If so whether they were given financial assistance to start the work ?

Shri Biswadev Sarma :—Yes Sir.

Shri Nakul Chandra Das :—অধ্যক্ষ মহোদয়, মঙ্গলদৈ মহকুমাত এখন Industrial Estate পাতিবৰ কাৰণে ঠাই নিৰ্ব্বাচন কৰাৰ কথাটো সঁচানে আৰু যদি হয় তাত কেতিয়াৰ পৰা কাম আৰম্ভ হব ?

Shri Biswadev Sarma :—যদি অধিগ্ৰহণ কৰা হৈছে আৰু কাম আৰম্ভ কৰা হব ।

Shri Kabir Chandra Ray Pradhani :—কোন কোন জিলাৰ Industrial State ৰ লগত সম্পৰ্ক নাই আৰু এই বিলাক জিলা কিয় বাদ পৰিছে ।

Shri Biswadev Sarma :—য'ত হৈছে সেইবিলাক ঠাইৰ নাম কৈ দিয়া হৈছে তাৰ বাহিৰে বাকী বিলাক ঠাইত হোৱা নাই ।

Shri Kabir Chandra Ray Pradhani :—কিয় বাদ পৰিছে জনাবনে ?

Shri Biswadev Sarma :—আমাৰ যি বিলাক ঠাইত বেকাৰ লৰা-বিলাকে ক্ষুদ্ৰ শিল্প পাতিবলৈ আগবাঢ়ি আহিছে তাত আমি Industrial Estate পাতিবলৈ বাকী আছো ।

Shri Giasuddin Ahmed :—There is no Industrial estate in the Dhubri Sub-Division, Why ?

Shri Biswadev Sarma :—No entrepreneurs are forthcomings. If there is entrepreneur, we are ready to up there.

**Shri Sailen Medhi** :—এতিয়া আমাৰ উদ্যোগ মন্ত্রী মহোদয়ে প্ৰশ্নৰ মতে কৈছে আমাৰ Industarial Estate ত যি বিলাক ব্যৱসায়ীক কাৰখানা বছৰাবলৈ দিয়া হৈছিল তেওঁলোকৰ Rent বাকী থকাৰ কথাকৈছিল তেনেকৈয়ে Gauhati Industrial Estate ত টকা বাকী থকাৰ কাৰণে Civil Case কৰাৰ কাৰণে কিমান টকা Cost Fee দিবলগীয়া হৈছে ?

**Shri Biswadev Sarma** :—সেইটো খবৰ মোৰ হাঁতত নাই। এই টকাবিলাক তামাদি হৈ যাব পাৰে বুলিয়েই আমি case কৰিব লগীয়া হৈছে।

**Shri Sailen Medhi** :—এই Civil Case Suit কৰাৰ আগতে আমাৰ বিভাগীয় Legal Remembrancer ৰ লগত আলোচনা কৰি উপদেশ আৰু মতাদেশ লৈছে নে নাই ?

**Shri Biswadev Sarma** :—নিশ্চয় আলোচনা কৰা হৈছে।

**Shri Sailen Medhi** :—এই বিলাক case কৰাৰ আগতে টকা নিদিয়া সকলৰ Licence ৰদ কৰি দি টকা লোৱাৰ সুবিধাটো উজু আছিল কিন্তু চৰকাৰে এইদৰে case কৰি টকাও নাপাব আৰু Licence ও চলি থাকিব তাকেই চৰকাৰে বিচাৰিছে তদুপৰি মোকৰ্দ্দমাত টকা খৰচ নিশ্চয় হব।

**Shri Biswadev Sarma** :—এই ধৰণৰ টকা আদায়ী Electicity Board টো হৈছিল কিন্তু আমি Board ৰ ফালৰ পৰা Line কাটি দিম বোলাত অনাদায়ী টকাখিনি পোৱা হ'ল। ভাৰত চৰকাৰে যিটো Rent দিবলৈ কৈছিল তাত কিছুমান আসোঁৱাহ আছে সেই কাৰণে সেই ব্যৱহাৰত আমি একমত হবপৰা নাই আৰু টকা-খিনি তামাদি হোৱাৰ সম্ভৱনা থকাৰ কাৰণে Case কৰা হৈছে। আমাৰ Industry বন্ধ কৰাৰ উদ্দেশ্য নহয় সেইকাৰণে মোকৰ্দ্দমা চলোৱা হৈছে।

M Shamsul Hu·la :—অসমত আটাই বিলাক Industrial Estate ত কিমান মানুহক শিল্প এতিয়া কৰিবলৈ দিয়া হৈছে আৰু Nowgong Industrial Estate কিমান মানুহক দিয়া হৈছে?

Shri Biswadev Sarma :—সেইটো বেলেগে প্ৰশ্ন কৰিলে জনাব পাবিম।

Shri Gobinda Bora :—উত্তৰ লক্ষীমপুৰত Industrial Estate কৰিবৰ কাৰণে চৰকাৰে মাটি অধিগ্ৰহণ কৰিছিল কিন্তু তাত Industrial Estate নহ'ল সেই ঠাই খিনি E.C.I. ক গুদাম কৰিবলৈ দিয়া হৈছে এই কথা চৰকাৰে মানেনে ?

Shri Biswadev Sarma :—উত্তৰ লক্ষীমপুৰত আমি যি মাটি Industrial Estate ৰ কাৰণে ৰাখিছো সেই খিনি যদি কাৰবাক দিছে সেইটো মই নাজানো আৰু খবৰ কৰিম। যদি তাৰ ডেকালৰা বিলাক ওলাই আহে তেনেহলে Industrial Estate নিশ্চয় হব।

Maulana Abdul Jalil Chowdhary :—Badarpur ৰ Industrial Estate ত কি কি Industry আছে ?

Shri Biswadev Sarma :—মাননীয় সদস্যজন বদৰপুৰৰ কথা নিজেই মানে কাৰণ তেওঁৰ সন্মুখতে সেই Industrial Estate। তাত ৩ টা Unit আছে, প্ৰথম হ'ল Textile Unit, দ্বিতীয়তে Tenning আৰু তৃতিয়তে Timber Seasoning Plant আছে। তাৰ উপৰিও আৰু কিবা Industry ৰ কাৰণে যদি ডেকা সকল আগবাঢ়ি আহে তেনেহলে আমি দিম।

M. A. Musawir Chowdhury :—মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব পাৰো নেকি যে অসমত যিমান বিলাক Industrial Estate ৰ সামগ্ৰীক উৎপাদন হৈছে সেইবিলাকে বাহিৰৰ পৰা অহা বস্তুৰ লগত Compeite কৰিব পৰা নাই সেইটো অনুস-

ন্ধান কৰি তাৰ Protection দিয়াৰ কাৰণে চেষ্টা কৰিবনে ?

Shri Biswadev Sarma :—তেনেকুৱা কথা মই জনা নাই। Specific উদাহৰণ দিলে অনুসন্ধান কৰি চাম ।

Shri Kabir Chandra Roy Pradhani :—চৰকাৰে সকলো District আৰু মহকুমাৰ মাজত Homogenity থাকিব লাগে বুলি কয় কিন্তু আমি দেখাত বৈষম্য মূলক আচৰন কৰা হৈছে। ইয়াৰ কিবা কাৰণ আছে নেকি ?

Shri Biswadev Sarma :—বৈষম্য মূলক আচৰণ কৰা নাই তাত যদি ডেকা সকলে কৰিব খোজে আমি তাৰ ব্যৱস্থা কৰি দিম যদি লৰাবিলাক ওলাই নাহে তেন্তে ঘৰ কৰি একোলাভ নাই সেইবিলাক পচিহে যাব ।

Shri Hiralal Patowary :—দৰং আৰু লক্ষীমপুৰৰ মাজত খৈৰাবাৰী, ওডালগুৰী, হৰিচিঙ্গা ইত্যাদি ঠাইৰ লৰাবিলাকে Industry কৰিবলৈ আগ্ৰহ কৰি আছে সেইকাৰণে সেইবিলাক ঠাইত Industrial Estate পাতিবলৈ আশ্বাস দিবনে ?

Shri Biswadev Sarma :—যদি ডেকা সকল আগবাঢ়ি আহে তেনেহলে আশ্বাস দিব পাৰি ।

## কুটিৰ-শিল্প উপদেষ্টা কমিটি

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে ঃ

*৬২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) বৰ্ত্তমান কুটিৰ-শিল্প উপদেষ্টা কমিটিখন কেতিয়া গঠন কৰা হ'ল আৰু কোন আইন মতে কোনে গঠন কৰিলে ?

(খ) ১৯৬৭ চনত গঠিত কমিটিৰ বে-চৰকাৰী সভ্যসকলক বিধান সভাই নিৰ্ব্বাচিত কৰাটো সঁচা নে ?

(গ) বৰ্ত্তমান কমিটিৰ বেচকাৰী সভ্য কেইজন আৰু তেওঁলোক কোন ?

উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বেদেব শৰ্ম্মাই উত্তৰ দিছে ঃ—

৬২। (ক)—Assam Aid to Industries (Small and Cottage Industries) Rules, 1960 ৰ ৩ নং নিয়মাবলী অনুসৰি বৰ্ত্তমান কুটিৰ-শিল্প উপদেষ্টা কমিটিখন অসম চৰকাৰৰ অধিসূচনা নং চি, আই ৬৭।৬৪।১৪১, তাং ১০।৯।৭০ মতে গঠন কৰা হৈছে।

(খ)—হয়।

(গ)—বৰ্ত্তমান কমিটিখনৰ ১২ জন বেচৰকাৰী সদস্যৰ নাম তলত দিয়া হ'ল—

১। শ্ৰীমতি লিলী সেনগুপ্তা, এম,এল,এ, মিলননগৰ,
পোঃ আঃ ডিব্ৰুগড়, জিলা লক্ষীমপুৰ।
২। ৰাণী মঞ্জুলা দেবী, এল, এল, এ, বিদ্যাপুৰ,
পোঃ আঃ বিদ্যাপুৰ, জিলা গোৱালপাৰা।
৩। শ্ৰীশৈলেন মেধি, এম, এল, এ, শান্তিপুৰ,
পোঃ আঃ গুৱাহাটী, জিলা কামৰূপ।
৪। শ্ৰীমৌলানা আব্দুল জেলীল চৌধুৰী, এম, এল, এ,
গাওঁ আলকোলিপুৰ, পোঃ আঃ বদৰপুৰঘাট, জিলা কাছাৰ।
৫। শ্ৰীমাণিক চন্দ্ৰ দাস, এম, এল, এ, তিনচুকীয়া, (ৱাৰ্ড নং ৪),
পোঃ আঃ তিনচুকীয়া, জিলা লক্ষীমপুৰ।
৬। শ্ৰীৰথিন্দ্ৰনাথ সেন, এম, এল, এ, লঙ্গাই ৰ'ড,
পোঃ আঃ কৰিমগঞ্জ, জিলা কাছাৰ।
৭। শ্ৰীনকুল চন্দ্ৰ দাস, এম, এল, এ, সৰৱাৰেং গাওঁ,
পোঃ আঃ মঙ্গলদৈ, জিলা দৰং।
৮। শ্ৰীমহীধৰ পেগু, এম, এল, এ, চাঁপৰিগাওঁ,
পোঃ আঃ মাজুলী, মোৱামাৰী, জিলা শিৱসাগৰ।
৯। শ্ৰীপানীৰাম দাস, কলাইগাওঁ, পোঃ আঃ কলাইগাওঁ, জিলা দৰং।
১০। চি, ই, এম, মিকিৰ হিলচ্ ডিষ্ট্ৰিক্ট কাউঞ্চিল, পোঃ আঃ ডিফু।
১১। চি, ই, এম, নৰ্থ কাছাৰ হিলচ্ ডিষ্ট্ৰিক্ট কাউঞ্চিল,
পোঃ আঃ হাফলং।
১২। চি, ই, এম, মিজো হিলচ্ ডিষ্ট্ৰিক্ট কাউঞ্চিল, পোঃ আঃ আইজাল।

শ্ৰীভদ্ৰ কান্ত গগৈ ঃ—মোৰ প্ৰশ্নৰ (খ) উত্তৰত মন্ত্ৰী মহোদয়ে হয় বুলি কৈছে,—১৯৬৭ চনত খন কমিটি বিধান সভাৰ জৰিয়তে নিৰ্ব্বাচিত কৰি দিয়া হ'ল সেই খন কমিটিৰ কাৰ্য্যকাল কিমান দিনলৈ আছে কি কাৰণে বিধান সভাৰ সদস্য সকলক পৰিবৰ্ত্তন কৰি চৰকাৰৰ এই আইনে নতুন কমিটি গঠন কৰিলে।

শ্ৰীবিশ্বদেব শৰ্ম্মা ঃ—আমাৰ যিসকল Non-official member আছে তেওঁলোক দুই বছৰ থাকিব পাৰে। ২ বছৰৰ পিচত অসম চৰকাৰে তেখেত সকলক সুই কোৱা Qualification মতে বদলাব পাৰে।

শ্ৰীহীৰালাল পাটোৱাৰী ঃ—যিহেতু আগত যি কমিটি আছিল তাৰ ভিতৰত বিধান সভায় নিৰ্ব্বাচিত কৰা প্ৰতিনিধিও আছিল পিচত এই নতুন আইন কৰি চৰকাৰৰ মনোনিত সদস্য দিয়াৰ ব্যৱস্থা কিয় কৰিলে ?

শ্ৰীবিশ্বদেব শৰ্ম্মা ঃ—বহুত দিনৰ আগৰে পৰাই সদস্য সকলে পৰিবৰ্ত্তনৰ কথা ভাবিছিল। কাৰণ বহুতো ঠাইৰ সদস্যই এই সুবিধা পোৱা নাছিল। সেই কাৰণেই এই কমিটি খন Re-constitute কৰিবলগীয়া হ'ল। এই ক্ষেত্ৰত L/Rৰ opinion লোৱা হৈছে।

শ্ৰীহীৰালাল পাটোৱাৰী ঃ—এই কমিটি খন গঠন কৰাৰ সময়ত মন্ত্ৰী মহোদয়ে আঞ্চলিক কথাতো ভাবিছিলনে ? যেনেকৈ উত্তৰ লক্ষীমপুৰৰ পৰা দৰঙলৈ এই অঞ্চলটো কোনে প্ৰতিনিধিত্ব কৰিছিল ?

শ্ৰীবিশ্বদেব শৰ্ম্মা ঃ—সকলো বিলাক অঞ্চলতে Non-official member ৰ ক্ষেত্ৰত প্ৰতিনিধি দিয়া সম্ভৱ নহয়। যিবিলাক অঞ্চলৰ পৰা সুবিধা হয় সেইবিলাক অঞ্চলৰ পৰাহে প্ৰতিনিধি দিয়া হৈছে।

শ্ৰীহীৰালাল পাটোৱাৰী ঃ—Tribal ৰ পৰা কোন প্ৰতিনিধি আছে

শ্ৰীবিশ্বদেব শৰ্ম্মা ঃ—শ্ৰীমহীধৰ পেগু

শ্ৰীবিনয় কৃষ্ণ ঘোষ ঃ—গোৱালপাৰা জিলাৰ কোন আছে

শ্ৰীবিশ্বদেব শৰ্মা :—ৰাণী মঞ্জুলা দেৱী

শ্ৰীগোবিন্দ বৰুৱা :—উত্তৰ লক্ষীমপুৰ অতি পিচ পৰা ঠাই সেই ঠাইৰ পৰা কোনোৱা প্ৰতিনিধি লোৱা হৈছেনে ?

শ্ৰীবিশ্বদেব শৰ্মা :—আগতে আছিল। বৰ্ত্তমান উত্তৰ লক্ষীমপুৰৰ দায়িত্ব ময়েই লৈছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—যি খন Advisory committee পতা হ'ল এই Advisory committee খনৰ function কি ? এই কমিটিয়ে উন্নয়ন মূলক কাম কোনো ক্ষেত্ৰতেই কৰিব পৰা নাই। গতিকে এই কমিটি খন ঘনাই বহুৱাৰ চেষ্টা চৰকাৰে কৰিবনে ?

শ্ৰীবিশ্বদেব শৰ্মা :—এই কমিটি খনৰ মুখ্য কাম হৈছে যে টকা ধাৰে দিয়া প্ৰস্তাব বিলাক বিবেচনা কৰা। Bank Nationalise কৰাৰ পিচত এই কমিটি খনৰ প্ৰয়োজন কমি গৈছে আৰু এই বিলাক বেঙ্কৰ জৰিয়তে সেই ধাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কালি মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে যিবিলাক কাম এতিয়াও হোৱা নাই সেই বিলাক পৰীক্ষা কৰিবৰ কাৰণে এই কমিটিক দিলে মই ভাবো সকলো ফালৰ পৰাই সুবিধা হব।

শ্ৰীবিশ্বদেব শৰ্মা :—মই কালি কোৱাৰ তাৰিখলৈ বেলেগ এখন কমিটি লাগিব।

শ্ৰীমোচাব্বীৰ চৌধুৰী :—এই কমিটি খনে আমাৰ প্ৰত্যেক জিলাতে কিমান কৈ টকা ধাৰে দিলে সেইটো কথা জনাবনে ?

শ্ৰীবিশ্বদেব শৰ্মা :—এই প্ৰশ্নৰ উত্তৰৰ কাৰণে বেলেগে প্ৰশ্ন দিব লাগিব।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী :— যোৱা কালি মই এই মিটিং Attend কৰিছিলো। তাত মাত্ৰ ১৬ হাজাৰ টকাহে দিছে। ইমান কম টকাৰ কেনেকৈ এই উদ্যোগ বিলাক আগ বঢ়াই নিব কৰ নোৱাৰে। ইয়াৰ Enhancement হব নেকি ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :— আপুনি গৌৰীপুৰৰ Rural Industry project ৰ কথা কৈছেনেকি ? এই প্ৰজেক্টৰ কাৰণে বেলেগ কেন্দ্ৰীয় চৰকাৰে টকা দিয়ে। এই আচনি খনৰ আৰু কিছুমান প্ৰস্তাব দি কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে। আশা কৰো এই বাৰ অলপ বেচি টকা পাম।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী :— ইয়াত কিছুমান বেলেগ Industry যেনে Village, Tile, brick Indusry আদি আছে। সেই বিলাকক দিবলৈ টকা কত পাব।

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :— সেই টকাৰ পৰা নুজুৰিলে আমাৰ ইয়াত দৰ্খাষ্ট কৰিব পাৰে।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী :— তাত তেওঁলোকে যদি টকা নাপায় মানুহ বিলাক হতাশ হৈ পৰিব।

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :— এই বিষয়ে বিতং খবৰ দিলে আমি তাক চাম।

শ্ৰীহীৰা লাল পাটোৱাৰী :— এই কমিটিখন উপযোগী কৰিবৰ কাৰণে অনান্য ৰাজ্যৰ পৰা কুটিৰ শিল্প সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিবলৈ এটা কমিটি গঠন কৰিবনে ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :—মই কৈছোৱেই এই কমিটিৰ Function বেলেগ। আমাৰ আইন মতে টকা ধাৰে দিয়াৰ ব্যৱস্থাহে কৰিব।

শ্ৰীমনেশ্বৰ বৰো :— এই Board ৰ Nature কি ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :— off hand মই এই কথা কব নোৱাৰো।

শ্ৰীভদ্ৰকান্ত গগৈ : এই উদ্যোগ মন্ত্ৰী উৎবেগ মন্ত্ৰী হৈ পৰিছেনে কি ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা : উৎবেগৰ কাৰণ হৈছে।

*Re* : **Cement Plant at Bokajan**

Shri MANESWAR BORO asked :

*63 Will the Minister-in-charge of Industries be pleased to state—

(a) Whether the Government has set up a public sector Cement Plant at Bokajan in Mikir Hills ?

(b) If so, what is the production capacity per day ?

(c) What is the employment potentiality in the Bokajan Cement Factory ?

(d) Whether any principle has been adopted by the Government in respect of appointment of local educated youths in Bokajan Cement ?

(e) If so, the principle there of ?

(f) What amount will be necessary for setting up of the Bokajan Cement Factory and what Revenue will be received by the Government from the Bokajan Cement Factory annually ?

Shri BISWADEV SARMA (Minister, Industries) replied :

63. (a)—Yes, by the Cement Corporation of India.

(b)—Six hundred tonnes per day.

(c)—About 1,200 nos. of all cadres.

(d) & (e)—Selection of clerical, supervisory and lower technical staff drawing a salary, maximum of which does not exceed Re.515 per month will be made at Project site, according to the normal practice of the Cement Corporation of India by Selection Boards which will include a representative

from the State Government. However, for the recruitment of staff for higher posts (technical and nontechnical) selections are according to Corporation's normal recruitment procedure made at the Headquarters of the Corporation on all India basis with due weightage for local candidates. The State Government will try to persuade the Corporation to employ as many local persons as possible.

(f)—The overall cost of this plant is approximately Rs. 10·71 crores. Though firm estimates of likely revenues are not available, the sources of revenue are likely to be royalty on Lime-stone (for District Council, Mikir Hills). Sales tax, Professional tax and sale of Electic Power (for State Government and Assam State Electricity Board).

Sri MANESWAR BORO :— বোকাজান চিমেণ্ট ফেক্টৰীত কিমান মানুহে কাম কৰি আছেঁ including labour আৰু কৰ মানুহে কাম কৰিছে categorically জনাবনে ?

Sri BIWADEV SARMA :— বেলেগে প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰিম । মই কৈছো ২২ শ মানুহে কাম কৰিব।

MANESWAR BORO :— কিমান মানুহে কাম কৰি আছে ?

Sri BISWADEV SARMA :— বেলেগে প্ৰশ্ন কৰিলে জনাম ।

Shri DULAL CHANDA BARUA :— বেলেগে প্ৰশ্ন নহয়, ইয়াত এইটো স্পষ্ট লিখা আছে ।

Shri BISWADEV SARMA :— মই কৈছো, সেইটো বেলেগে প্ৰশ্ন কৰিলে জনাব পাৰিম ।

Shri MONEWAR BORO :— বোকাজান চিমেণ্ট ফেক্টৰী আৰম্ভ হবৰ পৰা আজিলৈকে কিমান লাখ টকা খৰছ কৰা হৈছে আৰু কি কি শিতানত খৰছঁ কৰা হৈছে।

Shri BISWADEV SARMA :—ইয়াৰ হিচাব মোৰ হাতত নাই বেলেগ প্ৰশ্ন কৰিলে কম। এইটো চিমেণ্ট কৰপৰেচন অব ইণ্ডিয়াই কৰিছে। আগতে নটিচ নিদিবলে কব নোৱাৰোঁ।

Sri Maneswar Boro :— ১৯৭১-৭২ চনৰ বাবে বোকাজান চিমেণ্ট ফেক্টৰীৰ কাৰণে কিমান লাখ টকা মঞ্জুৰ কৰা হৈছে ?

Sri Biswadev Sarma :— সেইটো মই দিব নোৱাৰিম। Cement Corpor-tion of India ৰ পৰা আনিব লাগিব।

Ssri Kamini Mohan Sarma :— মই উদ্যোগ মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে চিমেণ্ট কাৰখানা কৰিব লাগিলে কি কি কেচামালৰ ওপৰত ভিত্তি কৰি কৰা হয়।

S i Biswadev Sarma :— বোকাজান চিমেণ্ট ফেক্টৰী পাতিব খুজিছো Mikirhills District Council ৰ lime stone ওপৰত ভিত্তি কৰি।

Sri Hiralal patuwary :— মন্ত্ৰী ডাঙৰীয়াই মাননীয় সদস্য শ্ৰীমনেশ্বৰ বড়োৰ প্ৰশ্নোত্তৰত কলে যে ভাৰত চৰকাৰৰ পৰা আনিব লাগিব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই Cement factory ৰ ওপৰত অসম চৰকাৰৰ কিমান কৰ্ত্তৃত্ব আছে। আৰু কেনে ধৰণৰ কৰ্ত্তৃত্ব আছ।

Sri Biswadev Sarma :— আমাৰ কৰ্ত্তৃত্ব নাই। কেন্দ্ৰীয় চৰকাৰৰ শিল্প হিচাবে আমাৰ পৰা সহযোগ বিচাৰে আৰু এই সহযোগৰ বিনিময়ত কৈছে যে স্থানীয় মানুহৰ নিযুক্তি হব লাগে।

Sri Hiralal patuwary :— যদি কৰ্ত্তৃত্ব নাই তেন্তে কেনে ধৰণে

আমাৰ ডেকা লৰাক কামত নিয়োগ কৰিব পাৰে? তাৰ কাৰণে কিবা Agreement আছে নেকি যে ইমান Percent local মানুহ নিয়োগ কৰা হব?

**Sri, Biswadev Sarma** :—Agreement ৰ কথা নহয় ৫১৫ টকাৰ তলৰ কৰ্মচাৰি সকল স্থানীয় মানুহ হব। আৰু তাৰ ওপৰৰ বিলাক Selection Board এ বিবেচনা কৰিব। এই Selection Board ত আমাৰ প্ৰতিনিধি থাকিব। ভাৰত চৰকাৰৰ Circular মতে চাকৰিয়াল সকল স্থানীয় মানুহ হব লাগিব। আমি তেখেত সকলৰ লগত বাজী হৈছো আৰু আমি প্ৰশিক্ষন দিয়া লৰাক আগভাগ দিয়া হব। গতিকে ইয়াত Agreement ৰ কথা নাহে।

**Sri Dulal Chandra Barua** :— মই এটা কথা বুজিব নোৱাৰিলো যে মন্ত্ৰী ডাঙৰীয়াই কৈছে ভাৰতচৰকাৰে নীতিগত ভাবে ৫০০ টকাৰ তলৰ কৰ্মচাৰী সকলক স্থানীয় লোকক লোৱা হব। মন্ত্ৰী মহোদয়ে এইতো জানে যে ভাৰতচৰকাৰৰ Circular থকা সত্বেও যি বিলাক উদ্যোগ ভাৰত চৰকাৰৰ পৰা Public Sectorত কৰা হৈছে। তাত শতকৰা ৭৫ ভাগৰ ঠাইত শতকৰা ২০/২৫ ভাগহে হৈছে। গতিকে Cement Factory টো কেন্দ্ৰীয় চৰকাৰে দিছে আৰু নিয়োগৰ সম্পৰ্কত যিখিনি কথা ইয়াত আশ্বাস দিছে সেই আশ্বাসত জোৰ নাই। সেই কাৰনে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেল কোম্পানী গেছ কোম্পানী আৰু সাৰ কাৰখানাত যিটো অৱস্থা হৈছে সেইটো যাতে নহয় তাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিবনে? দ্বিতীয়তে Selection Board এ ৫০০ টকাৰ তলৰ স্থানীয় লোকক নিযুক্তি কৰা হব বুলি কৈছে আৰু তাৰ ওপৰৰ কৰ্মচাৰী অৰ্থাৎ Training লোৱা সকলক আগ ভাগ দিয়া হব বুলি কৈছে; কিন্তু এইটো কথা বহুত দিনৰ পৰাই সদনত আলোচনা হৈ আছে। গতিকে চৰকাৰৰ ফালৰ পৰা আমাৰ লৰাক এতিয়ালৈকে প্ৰশিক্ষন দিয়া হোৱা নাই নেকি? যদি হোৱা নাই কিয় হোৱা নাই?

Shri Biswadev Sarma :— আমি আমাৰ Cement Factory ত স্থানীয় লৰাক নিয়োগ কৰিবৰ কাৰনে Training programe draw কৰি আছো— যি সকলে প্ৰশিক্ষন পাব তেওঁলোকৰ যোগ্যতা বিশেষ ভাবে বিবেচনা কৰি নিযুক্তি দিয়া হব। এই সম্পৰ্কত আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্ট ভাবে Cement coporation of India ক জনাই দিছে যে যি বিলাকে চাকৰিত নিযুক্তি হয় সেইসকল যাতে স্থানীয় থলুৱা লোকে পায় তাৰ পাছত Cement Corporation of India ৰ Managing director আৰু শ্ৰীফক-ৰুদ্দিন চাহেব উপস্থিত আছিল সেই সভাত কেন্দ্ৰীয় চৰকাৰে আমাক আশ্বাস দিছে যে আমি চৰকাৰে যি হিচাবে আমাক পৰামৰ্শ দিব সেই হিচাবে গ্ৰহণ কৰিম আৰু স্থানীয় লোকক চাকৰি দিয়াত প্ৰতিশ্ৰুতি দিছে।

Shri Kabir Chandra Roy Pradhani :— আমাৰ Cement প্ৰয়োজনীয় বস্তু হৈ পৰিছে ; কিন্তু সাধাৰণ মানুহে প্ৰয়োজন অনুসাৰে ব্যৱহাৰ কৰিবপৰা নাই আৰু এতিয়া যিবিলাক existing cement factory আৰু যিবিলাক proposed cement factory আছে সেই খিনিয়ে গোটেই অসমৰ চাহিদা পূৰন কৰিব পাৰিবনে নোৱাৰে ? সেই কাৰণে এতিয়া ক'ত ক'ত cement factory কৰিব পৰা যায় তেনেকুৱা আঁচনি আছেনে নাই ?

Shri Biswadev Sarma :— এইটো উচিত প্ৰশ্ন হৈছে, এতিয়া আমাৰ চেৰাপুঞ্জিত দিনে ২৫০ টনৰ কাম হৈছে আৰু তাত এতিয়া উৎপাদনৰ ক্ষমতা ৮৫০ টনলৈ বৃদ্ধি কৰাৰ চেষ্টা কৰা হৈছে। আৰু ৬০০ টনৰ যিটো Cement factory বোকাজানত হব সেইটোৰ সৈতে এই দুয়োটা factotry লগ লগালেও অসমৰ চাহিদা পূৰণ নহয়। সেই কাৰণে আৰু এটা cement factory ৰ কাৰণে ভাৰত চৰকাৰক দাবী জনাইছো।

Shri Premadhar Bora :— অধ্যক্ষ মহোদয়, উদ্যোগ মন্ত্ৰীয়ে কৈছে

যে, আৰু সিদিনা মুখ্য মন্ত্ৰীয়েও মুখনি মাৰি কৈছিল যে অসমৰ উদ্যোগ বিলাকত শতকৰা ৮০ ভাগ মানুহক কৰ্ম্ম সংস্থান দিয়া হব। এতিয়া উদ্যোগ মন্ত্ৰীয়ে কৈছে যে corporation ৰ নিজা . policy আছে আৰু তাৰমতে আমাৰ ১২ শ কৰ্ম্মচাৰীৰ ভিতৰত ৯৬০ জনৰ কৰ্ম্মসংস্থান হব লাগে। যদি আমাৰ নিবনুৱা সকলৰে কৰ্ম্ম সংস্থান নহয় তেন্তে উদ্যোগ স্থাপন কৰাৰ পৰা কোনো লাভ নহয় আৰু আমাৰ ৰাজহুৱা Resource বিলাক নষ্ট কৰাহে হব। আমাৰ এই ৰাজহুৱা Resource কিয় নষ্ট কৰিব খুজিছে মন্ত্ৰী মহোদয়ে জনাবনে?

Shri Biswadev Sarma :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰ উত্তেজিত হৈছে। এই বিলাক কথা উত্তেজনাৰে প্ৰকাশ কৰি লাভ নাই। মই আগতে কৈছো যে, উদ্যোগ স্থাপন কৰিলে ভাল হবনে, বেয়া হব সেইটো চৰকাৰে বিবেচনা কৰিব। ইয়াৰোপৰি আমাৰ ইয়ালৈ Cement Corporation ৰ যি সকল মানুহ আহিছে সেই সকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে আৰু সেই আহ্বানৰ সহাৰি জনাই তেখেত সকলে প্ৰতিশ্ৰুতি দিছে যে আমাৰ যিসকল স্থানীয় Techinical Personnel আছে তেওঁলোকক নিয়োগ কৰিবলৈ চেষ্টা কৰিব

Maulana Abdul Jalil Chawdhury :—माननीय उद्योग मन्त्री महोदय ने यह फरमाया हेय कि माननीय मुख्य मन्त्री महोदय ने Bokajan cement factory को यह मलाबिबा दिया हेय कि आसाम के लड़कों के ब्रहा नेकिरी मिलनी चाहिये। आसाम सरकार ने cement factory ब्रालोको कितने ऐसे मशबिरे दिये हैंय और उनके मुताबिक कितने लड़कोंके ब्ँहा नियोग किया गया हेय?

Shri Biswadev Sarma :— आसाम चरकारे ने Cement fatory Corporation of India के काम कर्त्ताओंको यह बता दिया हेय कि Bokajan cement factory मे २ मारे प्रदेश के

লড়কোঁ কো কাম জৰুৰ দেনা চাহিয়ে।

Shri Binoy krishna Ghose :— Sir, I want to know the cost of pıoduction per ton of cement in the Bokajan cenent Factory ?

Shri Biswadev Sarma :— If a separate question is put I shall be able to reply.

## মণ্ডল পৰ্য্যায়ৰ পৰা কানুনগুলৈ প্ৰমোচনৰ নীতি

শ্ৰীপিটসিং কোৰঁৰে সুধিছে ঃ

*৬৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) চৰকাৰে মণ্ডল পৰ্য্যায়ৰ পৰা কানুনগু পদলৈ প্ৰমোচন দিওতে কেনে ধৰণৰ নীতি মানি চলে ?

(খ) নগাওঁ জিলাৰ উপয়ুক্ত কাৰ্য্যালয়ৰ অধীনস্থ মণ্ডলৰ পৰা কানুনগুলৈ প্ৰমোচন দিওতে কি নীতিৰ ভিত্তিত প্ৰমোচন দিছে ?

(গ) কিছুমান বয়সীয়া আৰু দীৰ্ঘকাল কাম কৰি থকা মণ্ডলক কানুনগুলৈ প্ৰমোচন নিদি পিচত আহি কামকৰা মণ্ডলক কানুনগুলৈ প্ৰমোচন দিয়া কথাটো সঁচা নে ?

(ঘ) যদি (গ)-প্ৰশ্নৰ উত্তৰটো সঁচা হয় তেনেহলে তাৰ কাৰণ কি ?

ৰাজহমন্ত্ৰী শ্ৰীবিশ্বদেব শৰ্ম্মাই উত্তৰ দিছে ঃ

৬৪। (ক)—বিশেষ জৰিপ প্ৰশিক্ষণ শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা মণ্ডল বা অতিৰিক্ত পৰ্য্যবেক্ষক কানুনগুসকলক তেওঁলোকৰ চাকৰীৰ জেষ্ঠতা আৰু দক্ষতা বিবেচনা কৰি মণ্ডল পৰ্য্যায়ৰ পৰা পৰ্যবেক্ষক কানুনগু পদলৈ পদোন্নতি দিয়া হয়।

(খ)—নগাওঁৰ ভূমিপত্তন বিষয়াৰ অধীনত চাকৰী কৰা মণ্ডল পৰ্য্যায়ৰ পৰা পৰ্য্যবেক্ষক কানুনগু পদলৈ পদোন্নতি দিয়া হয়।

(গ)—হয়।

(ঘ)—কাৰণটো এই যে, এই অতিৰিক্ত পৰ্য্যবেক্ষক কানুনগুসকলে ভূমি পত্তন বিষয়াৰ অধীনত অতি দক্ষতা আৰু অতি ভাল কাম কৰা বুলি বিবেচনা কৰিহে পৰ্য্যবেক্ষক কানুনগু হিচাবে নিয়োগ কৰা হৈছে।

*Re* : Grievances of the Mangaldoi District Krishak Sabha

Md. Matlebuddin asked :—*55. Will the Minister-in-charge of Revenue be pleased to state—

(a) Whether it is a fact that under the auspices of the Mangaldoi District Krishak Sabha several thousands of landless cultivators of Mangaldoi Subdivision had paraded the main thoroughfares on the occasion of the Hon'ble Chief Minister's recent tour and waited upon Chief Minister for placing their certain grievances ?

(b) If so, to what effect ?

(c) Who are the Office-bearers of the said Krishak Sabha, Mangaldoi ?

(d) Whether it is a fact that said Krishak Sabha had earlier to this, placed some of their grievances for redress ?

Shri Biswadev Sarma (Minister, Revenue) replied :—

65. (a)—About 500/600 so-called landless cultivators gathered in the Mangaldoi Higher Secondary School field under the auspices of District Krishak Sabha to meet the Chief Minister on 9th February 1971.

(b)—They could not meet the Chief Minister as this

meeting was not included in his Scheduled programme and as he stayed only for an hour at Mangaldoi.

(c)—(i) Shri Nagen Sarma, Prof. Mangaldoi College, President, District Krishak Sabha.

(ii) Shri Manjur Daimari of Bhakatpara, Vice-Presiden.

(iii) Shri Satya Nath Barua of Namkhola, General Secretary.

(iv) Shri Jogendra Nath Saikia of Mangaldoi, Adviser.

(v) Shri Badaruddin Ahmed, Organising Secretary.

(vi) Prof. Khiteswar Koch of Mangaldoi College, Organiser.

(d)—Yes.

Md. Matlebuddin :—মন্ত্ৰীমহোদয়ে জানেনে যে, যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে মঙ্গলদৈত বান্ধ কৰিবলৈ কৃষক সভাই ঘোষনা কৰিছিল চৰকাৰে তেওঁলোকৰ দাবী পূৰণ কৰিব বুলি কথা দিয়াত মঙ্গলদৈৰ বান্ধটো বন্ধ কৰি দিয়াৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Biswadev Sarma :— চৰকাৰে কি প্ৰতিশ্ৰুতি দিছে মই নাজানো। কিন্তু তেখেতসকলে পাচত উঠাই ললে।

( এটি স্বৰ ঃ প্ৰতিশ্ৰুতি দিয়াৰ পাছতহে উঠাই ললে )

তেখেত সকলৰ দাবী সমূহ হৈছে—

Shri Biswadev Sarma :

(1) To allot land to landless people who were

already included in the list of Gaon Panchayats.

(2) To establish villages for the landless peasants as contemplated on the recommendation of the Gaon Panchayats.

(3) To extend electricity for the supply of water in the cultivable lands of the whole sub-division.

(4) To discuss the anomalies revealed in respect of land in Tribal belt and eviction.

(5) Settlement in respect of evicted landless persons in Panbari, Kalaigaon and Rajagarh Reserve.

(6) To remove sufferings of the peasants affected by flood from Kulshi, Batiamari, Nanadi and Chandana Rivers within 27th January, 1971.

এই কেইটা দাবী আছিল—

Md. Matlebuddin : এই দাবী বিলাক পূৰণ কৰিব বুলি চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ ফলতেই বান্ধ বন্ধ হোৱাটো সঁচানে ?

Shri Biswadev Sarma (M) : চৰকাৰৰ ফালৰ পৰা কোনো প্ৰতি-শ্ৰুতি দিয়া হোৱা নাই ।

Shri Hiralal Patwary : মাননীয় ৰাজহ মন্ত্ৰীয়ে কলে যে মঙ্গলদৈ কৃষক সভাৰ সভাপতি শ্ৰীনগেন শৰ্মা আৰু তেখেত Govt. Aided College ৰ প্ৰফেচাৰ। তেখেত প্ৰফেচাৰ সত্বেও কৃষক সভাৰ সভাপতি হোৱাত আপত্তি নাই নেকি ?

Shri Biswadev Sarma : এইটো বেলেগ প্ৰশ্ন হব ।

Shri Lakhyadhar Choudhury : মন্ত্ৰী ডাঙৰীয়াই উত্তৰত So-Called Krishan বুলি যে কৈছে এইখন কৃষক সভা বুলি নাভাবে নেকি ?

Shri Biswadev Sarma : যিহেতু প্ৰফেচাৰ শ্ৰীনগেন শৰ্মা এই সভাৰ সভাপতি গতিকে সেইদৰে ভবা যুক্তি আছে।

Shri Dulal Chandra Barua : মন্ত্ৰীমহোদয়ে কৈছে যে ২৪ তাৰিখৰ মঙ্গলদৈ বন্ধ চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ কাৰণে উইড্ৰ কৰিছে।

Shri Biswadev Sarma : প্ৰতিশ্ৰুতি দিয়া নাই।

Shri Dulal Chandra Barua : তেনেহলে এইটো কথা জানেনে যে "অগ্ৰদূত" কাকতত এইদৰে লিখিছে "মুখ্যমন্ত্ৰী শ্ৰীচৌধুৰীয়ে মঙ্গলদৈৰ ৰাইজক নিবিচাৰে? কৃষক ৰাইজক মুখ্যমন্ত্ৰীৰ অভিনৱ প্ৰতাৰণা, চৰকাৰ আৰু জিলা কংগ্ৰেছক তীব্ৰ গৰিহনা : কৃষক সভাৰ বিক্ষোভ প্ৰদৰ্শন : ২৪ ফেব্ৰুৱাৰীত 'মঙ্গলদৈ বন্ধ'। যদি মুখ্যমন্ত্ৰীয়ে Programme দিয়া নাছিলেই তেন্তে ইমান দিনে এই কথাটোৰ প্ৰতিবাদ চৰকাৰৰ তৰফৰ পৰা কিয় কৰা নাই?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : * * * *

(এই অংশত সদনত গোলমাল। কেইবাজনো সদস্যই একেলগে চিঞঁৰি উঠে)

Mr. Speaker : There are rules for the use of language in the House. Such language should not be used which is undignified. Shri Barua has used undignified words. As much this part of the proceding will be expunged.

শ্ৰীশৈলেন মেধি : * * * *

* * * Expunged as ordered by the chair.

**Mr. Speaker** : I have given my ruling. Now question No. 66.

**Shri Kamini Mohan Sarma** : Sir, there is somthing most important.

**Mr. Speaker** : I have given already my ruling.

**শ্ৰীকেহোৰাম হাজৰিকা** : এজন প্ৰফেচাৰ সভাপতি হোৱা বাবে so-called বুলি বাদ নিদি ধৈৰ্য্য সহকাৰে এই কথা বিশ্বাস বিবেচনা কৰাৰ আশ্বাস মন্ত্ৰী মহোদয়ৰ পৰা পামনে ?

**শ্ৰীবিশ্বদেৱ শৰ্ম্মা** : সকলো ঠাইৰ সকলো কৃষকৰে কথা ধৈৰ্য্য সহকাৰে বিবেচনা কৰে। সেই ঠাইলৈ যোৱা মুখ্যমন্ত্ৰীৰ প্ৰগ্ৰাম নাছিল কাৰণেহে ঘূৰি আহিল, বিক্ষোভ প্ৰদৰ্শনৰ কাৰণে ভয় কৰা নাছিল।

**Shri Dulal Chandra Barua** : এই কৃষক সভাখন এতিয়া গঠন কৰা নহয়। ই বহু বছৰ আগৰে। আগৰ ৰাজহ মন্ত্ৰী তথা বৰ্ত্তমান মুখ্যমন্ত্ৰী আৰু স্বৰ্গীয় মুখ্যমন্ত্ৰী চলিহাদেৱৰ দিনত তেওঁলোকে বাৰে বাৰে স্মাৰক পত্ৰ দাখিল কৰা স্বত্ত্বেও ইমান বছৰ চৰকাৰৰ তৰফৰ পৰা কোনোব্যৱস্থা নকৰাৰ কাৰণ কি ? আকৌ এইকোৰ কথা সত্য নেকি যে বিক্ষোভ প্ৰদৰ্শনৰ ভয়ত মুখ্যমন্ত্ৰী অহা নাই, কেৱল সুখ-দুখৰ কথা কবলৈ অহা খেতিয়ক সকলৰ চিঠিয়ে তেওঁৰ দলৰ কোনো কোনোয়ে ভুল ভাবে বুজাই দিয়া বাবেহে আছিল। যদি সেইটোৱে হয় তেন্তে এই কাগজৰ অপপ্ৰচাৰ বন্ধ কৰিবলৈ আৰু প্ৰতিবাদ কৰিবলৈ কি ব্যৱস্থা লোৱা নাই ?

**Shri Biswadev Shrama** : মুখ্যমন্ত্ৰী মহোদয়ক কোনো মানুহে দেখা কৰিবলৈ অনুমতি নিদিয়াটো অসত্য কথা। আকৌ অসমত ইমান বিলাক কাগজ আছে তাৰে কোনে কোনেনো অপপ্ৰচাৰ কৰে তাকে চাবলৈ আৰু প্ৰতিবাদ কৰিবলৈ এটা বিভাগ লাগিব।

Shri Kamini Mohan Shrama : এই মঙ্গলদৈ মহকুমাত কিমান ভূমিহীন খেতিয়ক আছে কিমানক মাটি দিয়া হৈছে আৰু কিমানক দিবলৈ বাকী আছে? এই কৃষক সভাখন ১৯৪৮ চনতে গঠিত। কাতিৰাম কছাৰীক আন্দোলন কৰাৰ কাৰণে এই চৰকাৰে হত্যা কৰিছিল গতিকে মাটি নোপোৱা লোকৰ লিষ্ট কৰিছেনে?

Shri Biswadev Sarma : এইটো প্ৰশ্ন নুঠে

## ৰাষ্ট্ৰীয় পথৰ কাৰণে মাটি অধিগ্ৰহণ

ডক্টৰ সুৰেন্দ্ৰ নাথ দাসে সুধিছে: *৬৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত হাউলী মৌজাৰ কেবাখনো গাৱঁৰ মাটি আজি প্ৰায় ৯ বছৰৰ আগতে ৰাষ্ট্ৰীয় পথৰ কাৰণে অধিগ্ৰহণ কৰা কথাটো চৰকাৰে জানে নে?

(খ) আজিলৈকে ক্ষতিপূৰণৰ টকা নোপোৱাৰ কাৰণ কি?

(গ) এটি নিৰ্দ্দিষ্ট সময় ধৰি বিভাগীয় অফিচাৰসকলক এই ক্ষতিপূৰণৰ টকা দিবলৈ নিৰ্দ্দেশ দিব নে?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্ম্মাই উত্তৰ দিছে:

৬৬। (ক)—হাউলী মৌজাৰ অন্তৰ্গত সাতবাহিনীৰ টুপ, গোবিন্দপুৰ. জাখালীৰ পাৰ, শিমলখাৰ, হালাপাকাৰী গাৱঁৰ মাটি অলপতে ৰাষ্ট্ৰীয় পথৰ-বাবে অধিগ্ৰহণ কৰা কথাটো হয়। এইবিলাকৰ গাৱঁৰ মাটিৰ অধিগ্ৰহণৰ বাবে দিবলগা ক্ষতিপূৰণৰ টকা পট্টাদাৰসকলক দিয়া হৈছে। বেন্নীবাৰী, মাউতুপৰী আৰু হেলনৰ পাম গাৱঁৰ মাটি এতিয়ালৈকে অথিগ্ৰহণ হোৱা নাই। অধিগ্ৰহণৰ কাৰ্য্যাৱলী এতিয়া চলি আছে আৰু সোনকালে সম্পূৰ্ণ হব বুলি আশা কৰা গৈছে।

(খ)—অধিগ্ৰহণৰ কাৰ্য্যাৱলী সম্পূৰ্ণ নোহোৱাব কাৰণে ক্ষতিপূৰণৰ টকা দিব পৰা নাই।

(গ)—অনতিপলমে ক্ষতিপূৰণৰ টকা দিয়াৰ ব্যৱস্থা হব।

## কৃষি বান্ধ

শ্ৰীপিটসিং কোৰঁৰে সুধিছে ঃ

*৬৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ ভূৰবন্ধা উন্নয়ন খণ্ডৰ অন্তৰ্ভূক্ত গড়মাটি ভেদৌ আৰু কঁপহী বড়ি কৃষি বান্ধটো কোন চনত নিৰ্ম্মাণ কৰা হৈছিল?

(খ) উক্ত বান্ধটো আৱশ্যকীয় মেৰামতিৰ অভাবত ভাঙি-চিঙি যোৱাটো সঁচা নে?

(গ) (খ)-প্ৰশ্নৰ উত্তৰ যদি সঁচা হয় তেনেহলে অদূৰভবিষ্যতে এই বান্ধটো মেৰামতি বা পুনৰনিৰ্ম্মাণ কাৰ্য্য চৰকাৰে হাতত লব নে?

কৃষি বিভাগৰ মন্ত্ৰী শ্ৰীআতাউৰ ৰহমানে উত্তৰ দিছে ঃ

৬৭। (ক)—১৯৬৪-৬৫ চনত।

(খ)—হয়।

(গ)—স্থানীয় ৰাইজে মেৰামতিৰ কামত আগবাঢ়ি আহিলে চৰকাৰী নীতি মতে খৰচৰ শতকৰা ২৫ ভাগ চৰকাৰে বহন কৰিব।

ডঃ সুৰেন্দ্ৰ নাথ দাস ঃ—আজি ৯ বছৰ ধৰি কিয় National high way ৰ কাৰনে অধিগ্ৰহন কৰা হোৱা নাই?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ঃ— এই টোৱেই হৈছে Sir, there are only three land acquisition cases for construction of National High way in villages (1) Benibari (2) Mautupuri

and (3) Helanarpam in Howli Mouza. The present position of these cases are given below :—

1. Village Benibari : The acquisition proposal for an are 4B-1K-3L hasbeen received by us on 18. 1. 71. The acquisition proceedings have been started by the S.D.O., Barpeta under the Assam Land (R.&A) Act, 1964 instead of under the L.A. Act, I of 1894. We have already requested P.W.D. to obtain L.A. papers afreshunder 1894 Act.

2. Village Mautupuri : In this case 24B-2k-8 L was notified for acquisiton U/S 4(1) of the L.A.Act, I of 1894. But the declaration could not be issued due to want of sanction. P,W.D have been reminded to accrod sanction to the cost of acquisition

3. Helanarpam : In this case it is seen that 12B-3K-5L has been requisitioned by the S.D.O Barpeta for the H.H.Way and acquisition proposal has been received the same. It may be mentioned that application of the Assam Land (Reqn. & Acqn.) Act,, 1964 has been erroneous and acquisition proceedings shall have to be started afresh under the L A.Act, I of 1894. Necessary instructions have already been issued.

For expeditious disposal of these acquisition cases the matter has already been taken up with the P.W.D.

ডঃ সুৰেন্দ্ৰ নাথ দাস ঃ—এই ক্ষতিপূৰণৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পুজিৰ পৰা দিয়া হয়নে ৰাজ্যিক চৰকাৰৰ পুজিৰ পৰা দিয়া হয় ?

শ্ৰীবিশ্বদেৱ শৰ্মা ঃ—National High way হলে কেন্দ্ৰীয় চৰকাৰে দিব ।

ডঃ সুৰেন্দ্ৰ নাথ দাস ঃ - কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে কিমান টকা দিছে ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ঃ—সেই খবৰটো মোৰ হাতত নাই।

ডঃ সুৰেন্দ্ৰ দাস ঃ—ৰাজ্যিক চৰকাৰক কেন্দ্ৰীয় চৰকাৰে টকা দিছেনে নাই বুলি সোধাত যদি এই খবৰটো নোহোৱা বুলি কয় তেনেহলে প্ৰশ্নৰ উত্তৰ সঠিক হোৱা বুলি ধৰি লমনে ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ঃ—এই খবৰটো মোৰ হাতত নাইকিয়া।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—চাৰ আপোনাৰ পৰা আমি Protection বিচাৰিছো। Because we have been given notice of the question it is ralivani this the amount of the disposal of the Governmant of Assam to pay the compansation should be make available to the house. withut this information, he should not were with the reply.

Shri Biswadev sarma :—I dont want to be dictated by the hon member.

Shri Dulal Chandra Barua :—I am asking the Speaker I am not giving dictation to the Minister

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ঃ—চাৰ মই এই উত্তৰটো কাইলৈ দি দিম।

Mr. speaker —When a Minister is not able to give certain information the usual procedure is that he will supply the information later and the Minister has alrady said that he will supply the information.

Shri Sailen Medhi :—Sir, some more supplementarics is may come consquent on more information.

শ্ৰীভুবনেশ্বৰ বৰ্ম্মন ঃ— আমাৰ ডঃ সুৰেন্দ্ৰ নাথ দাস ডাঙৰীয়াই যিটো প্ৰশ্ন

করিছিল তাৰ সঠিক ভাবে উত্তৰ দিব পৰা নাই। ইয়াৰ উত্তৰ দিবলৈ মন্ত্ৰীমহোদয় সাজু হৈ আহিব লাগে। সেই কাৰনে এই প্ৰশ্নটো Pending কৰিব লাগে।

শ্ৰীবিশ্বদেৱ শৰ্ম্মা :— চাৰ, এইটো কথা সঁচা নহয় ইয়াত যিটো প্ৰশ্ন কৰিছে সেই প্ৰশ্নৰ উত্তৰ কেইটাই দিছো। ইয়াত আসোঁৱাহ হোৱাৰ কাৰণে অলপ দেৰি হৈছে। সেইকথাটো মই আপোনাৰ Note ৰ পৰাই পঢ়ি দিছো যে, কিমান টকা ভাৰতচৰকাৰে দিছে সেই কথাটো এই প্ৰশ্নত দিব নোৱাৰো। সেই কাৰণেই মই কৈছো কাইলৈ দিম। যোতয়ালৈকে এই কথা বিলাক মিমাংসা নহব তেতিয়ালৈকে এই টকা দিবনোৱাৰো সেই কাৰনে ইয়াৰ এটা বেলেগ প্ৰশ্ন কৰিব লাগে।

শ্ৰীশৈলেন মেধি :– তেখেতে কাইলৈ দিম বুলি কৈছিল। এতিয়া আকৌ বেলেগ প্ৰশ্নৰ কথা কিয়?

শ্ৰীবিশ্বদেব শৰ্ম্মা :—মই এতিয়াও নিদিও বুলি কোৱা নাই নহয়। মই কৈছো যে, এই প্ৰশ্নৰ উত্তৰটো কাইলৈকে দিম। এই প্ৰশ্নটো আহিব বুলি মই ভাবাই নাছিলো। আপুনি অনুমতি দিছে যেতিয়া কাইলৈ দিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—এই প্ৰশ্নটো স্থগিত ৰাখিব লাগে। ক্ষতিপুৰণ নোপোৱৰ কাৰণ কি, কিমান টকা দিছে এই সম্পৰ্কে গোটেই খিনি কথা কবলাগে। কিমান টকা খতিপুৰণ দিয়াহ'ল, আদি এই খিনি প্ৰশ্ন Relevent প্ৰশ্ন এই খবটো নোহোৱাত আমি কিছুমান পৰিপূৰক প্ৰশ্ন আনিব পৰা নাই। সেই কাৰণে এই প্ৰশ্নটো স্থগিত কৰিবলাগে।

মিঃ স্পীকাৰ :—এই খতিপূৰণৰ টকাটোৰ ক্ষেত্ৰত এইটো Relevant প্ৰশ্ন। সেইকাৰনে এইটো দিয়াটো ভাল।

শ্ৰীবিশ্বদেব শৰ্ম্মা :—মই কাইলৈ দিম।

Mr.Speaker :—On Tuesday you give the information.

Shri Sailen Medhi :—We want to know whether the question will be kept pending.

Shri M. M. Chaudhury, Chief Minister :—I think the House has the right to ask supplementaries on the information to be supplied.

(Applause from the Opposition)

শ্ৰীপিটসিং কোৱৰে সুধিছে :

*৬৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ ভূৰবন্ধা উন্নয়ন খণ্ডৰ এলেকাধীন (১) কলাবাৰীহাবিয়া বড়ি গাগলমাৰি কৃষি-বান্ধ, আৰু (২) সাপমাৰি-বৰবিলা কৃষি বান্ধ, এই দুয়োটা কৃষি বান্ধ নিৰ্ম্মাণ কৰিবৰ বাবে বিধান সভাৰ স্থানীয় সদস্যজনে দাখিল কৰা একোটিকৈ টোকা চৰকাৰে পাইছে নে?

(খ) যদি পাইছে তেনেহলে এই কৃষি বান্ধ দুটা নিৰ্ম্মাণ কৰিবৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব নে?

(গ) এই কথা সত্য নে ভূতপূৰ্ব কৃষি-মন্ত্ৰী শ্ৰীলক্ষী প্ৰসাদ গোস্বামীয়ে এই কৃষি-বান্ধ দুটা নিৰ্ম্মাণ কৰাৰ আশ্বাস কলাবাৰী গাওঁত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত দিছিল আৰু সেই ৰাজহুৱা সভাত মাননীয় জেইল বিভাগৰ মন্ত্ৰী-গৰাকীও উপস্থিত আছিল?

কৃষি বিভাগৰ মন্ত্ৰী শ্ৰীআতাউৰ ৰহমানে উত্তৰ দিছে ;

(ক) কলাবাৰী-হাবিয়া বড়ি-গাগলমাৰি কৃষি-বান্ধ সম্পৰ্কে এটি টোকা পোৱা হৈছে। কিন্তু সাপমাৰি-বৰবিলা কৃষি-বান্ধ সম্পৰ্কে কোনো টোকা চৰকাৰৰ হাতত পোৱাহি নাই।

(খ) কেবল কলবাৰী-হাবিয়া বড়িগাগলমাৰি কৃষি বান্ধৰ জৰিপৰ কাম হাতত লোৱা হৈছে।

(গ) এই বিষয়ে কোনো খবৰ নাই।

*Re* : Members' grievances

*Shri Dulal Chandra Barua : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা Protection বিচাৰিছো। আমাৰ এই বিধান সভাত যি ৯ বছৰীয়া অভিজ্ঞতা হ'ল, সেই ৯ বছৰীয়া অভিজ্ঞতাৰ পৰাই মই কব খোজো যে, আমি বিধান সভাত কোনো ভাল কাম কৰিছো বুলি কব নোখোজো কিন্তু আমাৰ যে কষ্ট যথেষ্ট হৈছে আৰু ফলত স্বাস্থ্যভঙ্গও যে হৈছে সেইটো ঠিক। আমি ইয়াত যি দেখিছো আমি বিধান সভাত থকা সময়খিনি মন্ত্ৰীৰ পাচে পাচে ঘুৰোতেই যায়।

মহোদয়, আমি আপোনাৰেই মানুহ আৰু আপোনাৰ অনুগ্ৰহতেই আছো। আমাৰ ফালৰ পৰা যিবিলাক কাগজ-পত্ৰ মন্ত্ৰীৰ ওচৰত দিয়া হয়, সেই কাগজপত্ৰ বিলাকৰ কাম হোৱাটো দূৰৰ কথা আমি তাৰ উত্তৰ পৰ্য্যন্ত নাপাওঁ। দ্বিতীয়তে আমাৰ বিধান সভাত কোবাম নোহোৱাৰ কাৰনো আছে। আমি মন্ত্ৰীসকলৰ ওচৰে ওচৰে গৈ কামৰ খবৰ লব লাগে, অফিচে অফিচে ঘূৰিবলাগে গতিকে মই পৰামৰ্শ এটা আগবঢ়াইছো যে, যদি আপুনি সহায় কৰে আমি যিবিলাক Petition Public ৰ পৰা পাওঁ, সেইবিলাক বিভাগীয় মন্ত্ৰীৰ ওচৰলৈ পঠিয়াই দিয়াব লাগে সেই সম্পৰ্কে কি কাম কৰিলে সেইবিষয়ে লিখিত ভাৱে আমাক জনালে আমি বিধান সভাত ঠিকমতে কাম কৰিব পাৰিম। আৰু এইটোৱে যদি হয় তেতিয়াহলে আমিও মন্ত্ৰী সকলৰ ওচৰত লঘু হোৱাৰ পৰাও অব্যাহতি পাম। গতিকে এই ৯ বছৰীয়া অভিজ্ঞতাৰ পৰা এই পৰামৰ্শ আগবঢ়াইছো। যদি আপুনি মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি হলেও আমাক তেনে ধৰণৰ এটা ব্যৱস্থা কৰি দিয়ে তেন্তে আমাৰ ভাল হয় আৰু আমিও স্বাস্থ্যভঙ্গ, শক্তিনাশ আদিৰ পৰা ৰক্ষা পাব পাৰো। গতিকে আমি আশাকৰো যে এই বিষয়ে যেন আপুনি এটা প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰোপৰি Hotelৰ পৰা যিখিনি সুবিধা পাইছো সেইখিনি নকলেও হব।

*Speech not corrected

Shri Ataur Rahman : Sir, under what rule the Hon. Member is speaking? This is an appeal made to the Hon. Speaker.

Shri Dulal Chandra Barua : এই বিষয়ে Rule ৰ কথা উঠা নাই। মাননীয় অধ্যক্ষৰ পৰা এটা Protection হে বিচাৰিছো। এই বিষয়টো লৈ আপুনি যদি মুখ্যমন্ত্ৰীৰ লগত পৰামৰ্শ কৰি আমাক এটা প্ৰতিশ্ৰুতি দিয়ে আমি মন্ত্ৰীসকলৰ পৰা অব্যাহতি পাম ।

Mr. Speaker :—It is better that the Hon' Members should meet me in my Chamber and tell me all about their grievances and difficulties instead of raising them here at the cost of other items. I will consult the Chief Minister and discuss the matter with the leaders of other groups.

Calling Attention To A Matter of Urgent Public Importance-Raiding of two archery bookies.

Shri Bhadra Kanta Gogoi :—Mr. Speaker, Sir, I beg to call the attention of the Chief Minister, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in Assam Tribune, dated the 10th March, 1971 under the caption "Teer Game Bookie Raided—Two held".

Shri Mahendra Mohan Chowdhury (Chief Minister) :—Sir, "On 15.1.71 Shri Amulya Phukan of Sripuria village of Tinsukia lodged a complaint to the effect that at 4. P.M. on that day he caught accused Shri Suresh Chandra Saha while he was selling Teer Game Tickets. On this, case No. 18(1)71 under Sec. 14 of the Assam Game and Betting ordinance, 1970 was registered at Tinsukia Police Station, and investigated. Shri Saha was arrested and charge sheeted. The case is now Sub-judice.

In another case on the complaint lodged by Shri Paresh Sarma, one Himansu Deb Nath was brought to the Tinsukia Police Sation on suspicion and he was found in possession of some Teer Game tickets and Teer Game ticket book. Accordingly Tinsukia Police Station Case No. 24(2)71 under Section 14 of the Assam Game and Betting Ordinance, 1970 was registered on 20.2.71 and Shri Himansu Deb Nath was arrested. The case is pending investigation. Shri Himansu Deb Nath was granted bail by Court.

Both the cases were registered under the Assam Game and Betting Ordinnance, 1970 which was repealed and replaced on 19.12.70 by the Assam Game and Betting Act, 1970. Steps are being taken to proceed against them under the Act."

*Re* : Notice under Rule 301

Shri Dulal Chandra Barua :—Sir, what about the notice given by me under Rule 301 ?

Mr. Speaker :—The Minister has fixed Tuesday, the 30th March, 1971 for taking up the notice under Rule 3ol given by hon member, Shri Dulal Chandra Barua.

Resolution for approval of an expenditure under Public works Department.

Shri Altaf Hossain Mazumdar (Minister, P.W.D.) :—Sir, I beg to move a Resolution for approval of an expenditure of Rs. 40,50,000 under the head "50-Public Works—State (Excluding Establishment and Tools and Plant)

(Mr. Speaker vacated the Chair and Mr. Dy. Speaker occupied it)

*Shri Dulal Candra Barua :—Mr. Dy. Speaker, Sir, on principle, I oppose this resolution, because the Financial Resolutions are there. In view of these resolutions, Government should not come for sanction of money in this manner. Unless there is an extraordinary circumstance, Government should not bring such kind of resolution. Sir, from the explanatory notes, it is found that—"The savings are due to less grant sanctioned by Government of India for Border roads, Development works and for non-finalisation and late finalisation of certain schemes." Sir, the explanatory note does not indicate any extraordinary nature for which this sanction is necessary. In the last session, this resolution along with other list of supplementary demands came before the House. If there would have been any difficulty, the Minister in charge could have very easily come forward to get this amount through supplementary grant instead of coming in this form. I do not understand why the Government should adopt this kind of backdoor policy which is contrary to the normal procedure. The Budget Manual, the Budget Resolution and Financial Resolutions are prepared by them. I do not know under what consideration they should come forward for sanction of such a grant in such a form in violation of their manuals. More so, Government should give details of all the expenditure proposed to be spent under this

*Speeck not corrected.

resolution. A vague explanation is only given. I do not know if this amount is sanctioned under this resolution, whether it will be utilised properly for the construction of border roads.

You know Sir that we have been facing border problems there in Nagaland border and the Govt. committed so may times to construct border roads on may places. But not a single work has yet been started. If you go Sir, and see the conditions at Dhudharali then you will see the irresponsible and corrupt picture of the Government Money was sanctioned, heaps of stones were collected but the result accrued is nil. Apart from that the Garali road upto Nagaland border, the Titabar road and all the other roads linking Jorhat town which are necessary for the security forces were proposed to be taken up but not a single road construction could be taken up yet. I know that everything has been concentrated for the Cachar District in the name of border road. I have no grudge against it but the point is that it should not be done on political consideration alone. If we go through the list of roads then we will find how many of them are meant for the Cachar District and how many of them are for the other places. The roads which were ought to have been taken under the normal head have been accommodated under the border road head. There are some technical difficulties shown in the list of works.

(1) Construction of permanent culverts No.144/1, 145/2 on N.T. road in North Lakhimpur Division.

(2) Construction of permanent R.C.C. bridge] over

river Dong at M 84/6 along with approaches on N.T. Road (west) in Mangoldai Division.

(3) Construction of four permanent R.C.C. bridge with open foundation including approaches and protective works on N.T. road in North Lakhimpur Moridhal Sector miles 22/1, 25/1, 25/2 and 27/2 from left bank of Subansiri bridge.

And here in the Explanatory Notes it has been stated that "Technical approval and financial sanction to the work was received only after submission of Budget estimate to Govt. of India. The whole expenditure will be borne by Govt. of India and provision in the State Budget is necessary only to meet the initial expenditure out of overall saving, through process of resolution."

Now, Sir, I want to know what is the initial expenditure and what will be the overall saving from this particular head. I also want to know how this could come in the form of resolution. In the list it has been shown that Govt. of India will be giving financial assistance for two types of roads :—(1) For the construction of border roads (2) for the Construction of National High ways. The entire cost of the National High ways, construction of roads, bridges and culverts will be borne by the Govt. of India. When the two heads are different it is very surprising how this two could be mixed up together. It is a chronic habit of the Government to say that they are not getting grants from the Govt. of India and therefore they are not in a position to take up the projects. But it is necessery for us to ascertain whether the Govt.

of Assam is not in a position to submit schemees to the Govt. of India in time for which they we are suffeiing to day. Even if proposals were sent they are found to be defective. Once at Delhi I discussed with some Planning Commission members about it.

Shri Altaf Hussain Mazumdar (Minister P.W.D.) :—What is the name of the Member ?

Shri Dulal Chandra Barua :—Vice-Chairman, Mr. Gadgil. Do you want any more clarification ? I have seen that the Govt. of Assam is lagging behind. Even the Chief Minister has confessed about it. In respect of Flood Control measures also the Planning Commission has rejected the proposals. It means that we are not in a position to get money from the Govt. of India. We have seen the Minister are moving about Delhi and other places for money and getting help from Govt of India but in fact they have failed to bring anything. During the discussion for Third and Fourth Plan allocation we have seen that Assam House is full with the officers of the Govt. of Assam but they have failed to convince the Govt. of India. It depicts the inefficiency of the Govt. of Assam. Therefore, Sir, I want to tell that this system that has been followed by the Govt of Assam to get sanction through resolution is not correct. In the Mizo Hills, North Cachar Hills so many schemes were approved but so far only two schemes have been taken up by the Govt. And the remaining portion of the money has been utilised in someother areas by our P.W.D. Not only that when Meghalaya Govt. is

there why should we go th.re and involve ourselves in their jurisdiction. Even the Meghalaya Govt. is going to the Govt. of India to get some money for construction of certain roads. This is a duplicacy. Therefore Sir, I want to Know (1) Under what rule the Govt. could come to get sanction for the regularisation of the expenditure. There is an adopted principle to come with a Supplenmentary Demand but instead the Govt. is coming through a resolution. (2) What is the amount earmarked for the border road and what is the amount spend for it ? (3) Why the border road allotment should be utilised for construction of National High way ? I also want to know why projects in other border areas could not be taken up as the whole amount has been spend in a particular area. With these words I raise the objection Sir.

Shri Premodhar Bora :—উপাধ্যক্ষ ডাঙৰীয়া আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিটো Motion আনিছে সেই সম্পৰ্কে দুষাৰ কৈ মই চৰকাৰক কেইটামান পৰামৰ্শ দিব বিচাৰিছোঁ। এইটো বিৰোধীতা কৰা মানে টকা খিনি নিদিওঁ বুলি কোৱা নাই বিৰোধিতা এই কাৰণেই কৰিছোঁ যে আমাৰ সীমান্তৱৰ্ত্তী যিবিলাক ৰাস্তা আছে যেনে গুৱাহাটীৰ পৰা লক্ষীমপুৰ ধেমাজী পৰ্য্যন্ত ৰাষ্টাটোৰ Culvert কৰিবলৈ লৈছিল। এই বিলাক আজি ৩-৪ বছৰেও গহপুৰৰ ওচৰত কেইবাটাও দলং খানি পেলাইছে। এই কেইটা দলং কেনে অৱস্থাত আছে সেইটো আমাৰ মূখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীয়ে দেখি আহিছে বাৰিষাৰ দিনত Sub-way বিলাকেদি যাব লগীয়া হোৱাত বহুত অসুবিধা হয়।

দ্বিতীয়তে তেজপুৰৰ গাভৰু Border Road টোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কেতিয়াবাই Approve কৰিছিল ১৪ লাখ টকা।

কিন্তু আজিলৈকে সেইটো কাৰ্য্যকৰী হোৱা নাই। মই সেই কাৰণে কব খুজিছো যে কিয় হোৱা নাই? আৰু Border ৰ ৰাষ্টাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা আহে সেইখিনি খৰছ কৰি যাতে কাম বোৰ সোনকালে হয়, তাৰ ব্যৱস্থা হাতত লব লাগে।

